# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যসকললৈ চেক প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। নলবাৰীৰ পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এই অনুষ্ঠানত আত্মসহায়ক গোটৰ অৰ্হতা সম্পন্ন মহিলাসকলক প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ উদ্যমিতা পুঁজি প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকলক অৰ্থনৈতিকভাৱে সবল কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই অভিযান আৰম্ভ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চহৰ আৰু গ্ৰামাঞ্চলত ৪ লাখ আত্মসহায়ক গোট আৰু  এই গোটসমূহৰ সৈতে প্ৰায় ৪০ লাখ মহিলা জড়িত হৈ আছে। এই মহিলাসকলৰ উদ্যমিতাৰ বাবদ ৰাজ্য চৰকাৰৰ ৩ হাজাৰ ৩৮ কোটি টকা ব্যয় হ'ব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই ধনৰাশিৰে হিতাধিকাৰী মহিলাসকলে নিজাববীয়াকৈ অথবা গোটৰ আন আন সদস্যসকলৰ সৈতে যৌথভাৱে ব্যৱসায় কৰিব পাৰিব। এই পুঁজিৰ সদ্ ব্যৱহাৰ কৰা মহিলাসকলক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেঁও কয় যে ইয়াৰে ১৫ হাজাৰ টকা ৰাজ্য চৰকাৰে আৰু ১০ হাজাৰ টকা  বেংকৰ জৰিয়তে প্ৰদান কৰা হব।

০০০০০

মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি দৰং জিলাৰ সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিসমূহৰ প্ৰতিনিধিসকলৰ মাজত এখন সজাগতা সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা ইত্যাদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে মুখ্য অতিথি হিচাপে এই সভাত অংশগ্ৰহণ কৰে।০০০০০

০০০

পাঠশালাত আজি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰাজযোগিনী প্ৰকাশমণি দাদীজীৰ অষ্টাদশ পূণ্য তিথি তথা বিশ্ব বন্ধুত্ব দিৱস উপলক্ষে ব্ৰহ্মকুমাৰী ৰাজযোগ পাঠশালা শাখাৰ উদ্যোগত বজালী জিলা সদৰ পাঠশালাত আয়োজন কৰা এই ৰক্তদান শিবিৰটো বজালী ৰাজহচক্ৰৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়া শংকৰ নাথে উদ্বোধন কৰে। নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ এটা দলৰ সহযোগত আয়োজন কৰা এই ৰক্তদান শিবিৰত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ পাঠশালা শাখাৰ কৰ্মীসকলৰ লগতে অঞ্চলটোৰ বহু কেইগৰাকী ব্যক্তিয়ে ৰক্তদান কৰে। আজিৰে পৰা অহা ২৫ আগষ্টলৈ সমগ্ৰ দেশৰ লগতে চুবুৰীয়া ৰাষ্ট্ৰ নেপালতো প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ উদ্যোগত ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে।০০০০০

০০০

ডিব্ৰুগড় জিলা প্ৰশাসনে আজি পলটন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ  সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে। এই চৰকাৰী ভূমি দখল কৰি বহুকেইটা পৰিয়ালে অঞ্চলটোত ঘৰ দুৱাৰ সাজিছিল বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

ইপিনে, নগাঁও জিলা প্ৰশাসন ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সাজু হৈছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি আজি বিয়লি প্ৰশাসনে মাইকযোগে ঘোষণা কৰে। উল্লেখযোগ্য যে এই অঞ্চলকেইটাত কাইলৈ উচ্ছেদ চলোৱাৰ কথা আছিল যদিও ব্যৱসায়ী আৰু অঞ্চলটোৰ লোকসকলে ৩ দিনৰ সময় বিচৰাত অহা বুধবাৰে উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই অৱগত কৰে।

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে কালি বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে। ১৫ দিনৰ ভিতৰত অবৈধভাৱে দখল কৰা ভূমি নেৰিলে জিলা প্ৰশাসনে সেই স্থানত উচ্ছেদ চলাব। এই পৰিয়ালকেইটাই চৰণীয়া পথাৰৰ ২৬৫ বিঘা ভূমি অবৈধভাৱে দখল কৰি আছে।

০০০

হোজাই জিলাৰ মুৰাঝাৰত আৰক্ষীয়ে আজি এজন সন্দেহজনক লোকক আটক কৰে। আৰক্ষীয়ে লোকজনৰ পৰা এখন ভাৰতীয় পাছপোৰ্ট আৰু পাকিস্তানৰ ভিছা জব্দ কৰে। ধৃত লোকজনে মুৰাঝাৰ গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত পঞ্চায়তৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন কৰিবলৈ যোৱাৰ সময়তে নিজৰ প্ৰকৃত নাম আব্দুল কৰিমৰ পৰিৱৰ্তে আব্দুল কালাম বুলি প্ৰকাশ কৰে। লোকজনৰ নথিপত্ৰ পৰীক্ষা কৰি সন্দেহ ওপজাত পঞ্চায়তৰ সচিবে আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত তদন্ত অব্যাহত ৰাখিছে।

০০০

ওদালগুৰি জিলাৰ পানেৰী নিবাসী পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ, সমাজ সেৱক ৰমণী চহৰীয়াৰ আজি পুৱা নিজ বাসভৱনত মৃত্যু হয়। মত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। অঞ্চলটোৰ বিভিন্ন সামাজিক প্ৰতিষ্ঠানৰ সৈতে জড়িত সৰ্বৰহী ব্যক্তি ৰমনী চহৰীয়াৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।০০০০০

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ